# Field Study on Barat Festival of Tiwa Tribe of Morigaon on 13th September 2018

In 2018 Department of Assamese of Debraj Roy College organized a field study on Barat Festival of Tiwa Tribe of Morigaon on 13/09/2018 under the guidance of the department head  Dr. Deepali Bora and guest faculties Dr. Jayanta Dutta and Bishmita Devi.

## Barat Festival :

Tiwa is a ethenic group mainly inhabiting in the state of Assam and Meghalaya in northeastern India.they celebrate Barat festival on full moon day of Puh month.Barat festival is a community festival which bears a traditional religious-cultural character.this festival is celebrated to make the society free from pestilence,epidemic or aggression of wild animals.The word ‘Barat’ derived from the word ‘Brat’ which means ‘Fasting’ in Assamese.

# ১.৬ বৰত উৎসৱ আৰু ইয়াৰ পৰম্পৰা :

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত অৱস্থিত অসম, আদিম জনজাতিসকলৰ সাতোৰহণীয়া ঐতিহ্যমণ্ডিত কলা-সংস্কৃতি বিচিত্ৰ লীলা ভূমি। জনজাতীয় কৃষ্টিৰ ওপৰতেই অসমীয়া কৃষ্টিয়ে গা কৰি উঠিছে বুলি ক'লেও বঢ়াই কোৱা নহয়। বৃহৎ মংগোলীয় জনগোষ্ঠীৰ এটি ঠাল তিৱা বা লালুংসকলৰ অন্যতম আকৰ্ষণীয় সাংস্কৃতিক উৎসৱ হৈছে 'বৰত উৎসৱ'। প্ৰাচীন তেতেলীয়া ৰাজ্যত প্ৰচলিত এই বৰত উৎসৱ 'কাতি বিহুৰ আৰম্ভণিতে সৰস্বতী পূজা পালন কৰি প্ৰথম বৰত উৎসৱ পালন কৰি পুহ মাহৰ পূৰ্ণিমা ৰাতি মূল বৰত পূজা কৰি উৎসৱ পালন কৰা হয়। প্ৰাচীন তেতেলীয়া ৰাজ্যৰ সাঁচিপতীয়া পুথি বা বুৰঞ্জীৰ তথ্য অনুসৰি অষ্টাদশ শতিকাৰ প্ৰাৰম্ভৰ পৰাই 'বৰত' নামেৰে বিশেষ উৎসৱটি তেতেলীয়া তিৱা ৰাজ্যত প্ৰচলিত হৈ আহিছে।

বৰত শব্দটো সংস্কৃতি 'ব্ৰত' শব্দৰ সৰলীকৰণ মাথোন। তেতেলীয়া ৰাজ্যৰ ৰজা ৰণসিদ্ধ বা ৰণজয়ৰ দিনৰপৰাই 'বৰত পূজা' প্ৰচলন হয় বুলি জনা যায়। তিৱাসকলৰ এই উৎসৱৰ আনুষ্ঠানিক আৰম্ভণিৰ পৰা শেষলৈকে কোঁৱৰ-কুঁৱৰী, বৰতানী প্ৰভৃতি কিছু বিশেষ ব্যক্তিয়ে ব্ৰত পালন কৰাৰ নিয়ম পূৰ্বৰে পৰা প্ৰচলিত হৈ আহিছে। অতিশয় আকৰ্ষণীয় এই 'বৰত উৎসৱক কোনোৱে কুমাৰী পূজা আৰু কোনোৱে ঊষা-অনিৰুদ্ধৰ প্ৰণয় কাহিনী বুলি ক'ব খোজে'। পৰম্পৰা অনুসৰি বৰত উৎসৱ কাতি মাহৰ অমাৱশ্যা তিথিত বা কাতি বিহুৰ দিনৰে পৰা আনুষ্ঠানিকভাৱে আৰম্ভ হয়। তেতেলীয়া পাহাৰৰ দাঁতিত বৰত পূজা সম্পাদন কৰা হয়। পূজা স্থানৰ কাষতে এখন কালিকা থান আৰু তাৰ কাষত বংশীবাদন থান নামে এখন থান থাকে। কালিকা থানত আগতীয়াকৈ পূজা দি বৰত উৎসৱ কৰাৰ নিয়ম। বৰত পূজা আৰম্ভ কৰাৰ আগেয়ে কাতি বিহুৰ দিনা গধলি সৰস্বতীদেৱীৰ

Scanned with CamScanner

## ১.৭ সময়ৰ সোঁতত বৰত উৎসৱ :

নৃত্য-উৎসৱ, পূজা-পাৱৰ্ণ হৈছে মানৱ সভ্যতাৰ সমাজ জীৱনৰ সঞ্জীৱনী শক্তি। উৎসৱবিহীন সমাজ সভ্যতা নিৰস আৰু নিৰ্জীৱ। জন্মক্ষণৰ পৰা আজিৰ তাৰিখলৈ তিৱাসকলৰ বৰত উৎসৱ সময়ৰ সোঁতত বহু আগবাঢ়িল। তিৱা সমাজেও এই উৎসৱৰ ঐতিহ্য পৰম্পৰাক সৰ্বাত্মক ৰূপত অক্ষুন্ন ৰখাৰ চেষ্টা কৰি অহা দেখা গৈছে। জনা যায় যে, প্ৰাচীন তেতেলীয়া ৰাজ্যৰ তিৱা লোকসকলেও উৎসৱটিক প্ৰতিবছৰে নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট পৰম্পৰা আৰু ৰীতি-নিয়মেৰে গভীৰ শ্ৰদ্ধা আৰু অফুৰন্ত উলাহেৰে অনুষ্ঠিত কৰি আহিছে। কিন্তু ১৯৮৬ চনৰ পৰা তেতেলীয়া ৰাজ্যৰ বিস্তৃৰ্ণ অঞ্চলটিৰ ৰাজ্যক কলং-কপিলীৰ প্ৰলয়ঙ্কৰী বানে বাৰুকৈ জুৰুলা কৰি তোলাৰ ফলত পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি তেওঁলোকে বৰত উৎসৱক প্ৰতিবছৰে নিৰ্দিষ্ট সময়ৰ পৰম্পৰা ৰক্ষা কৰি তেওঁলোকে বৰত উৎসৱক প্ৰতিবছৰে নিৰ্দিষ্ট সময়ত পৰম্পৰাগত নিয়মৰ মাজেৰে অনুষ্ঠিত কৰাটো বহুক্ষেত্ৰত সম্ভৱ হৈ উঠা নাই।

বৰ্তমান যুগ বিশ্বায়নৰ যুগ। বিশ্বায়নৰ ঢৌৱে যেন তিৱালোক সকলকো চুই গৈছে। সমগ্ৰ বিশ্বৰ জনতাৰ দৰে তিৱা লোকসকলো পৰিৱৰ্তনৰ বাটেৰে আগবাঢ়িব লগা হৈছে। সেয়ে তেওঁলোকৰ সমাজ ব্যৱস্থা সাংস্কৃতিক পৰম্পৰাটো কোনো কোনো দিশত অচিৰেই পৰিবৰ্তন আহিছে। কেতিয়া কেতিয়াবা সময়ৰ লগত খাপখুৱাই উদ্যোক্তাসকলে বৰত উৎসৱৰ বাহ্যিকতাত কিছুবু দিশত নতুনত্ব আনিব লগা হৈছে। প্ৰসঙ্গক্ৰমে এই উৎসৱ থলীত পূৰ্বৰ স্বাভাৱিক পোহৰৰ ব্যৱস্থাপনাৰ বিপৰীতে সম্প্ৰতি মূলৰ মণ্ডপৰ বাহিৰত শলিতাৰ পোহৰৰ ঠাইত বিজুলী পোহৰৰ সংযোগো ঘটিছে। আনহাতে উৎসৱস্থলীৰ প্ৰৱেশ দ্বাৰৰ আদৰণি তোৰণখনতো আধুনিকতাৰ প্ৰভাৱ পৰা দেখা গৈছে। পিছে দুই এক পৰিৱৰ্তনে সময়ৰ সোঁতত দেখা দিলেও বৰত উৎসৱৰ প্ৰকৃত সৌন্দৰ্য, আকৰ্ষণ ইয়াৰ লগত জড়িত চহা তিৱাসকলৰ প্ৰাণৰ

Scanned with CamScanner

Seminar paper submitted by Student on Barat Festival




Students on Field study at Morigaon




Students with Guides at Tiwa Village of Morigaon




Students collecting data on field study